জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭০/২০২১

# যাত্ৰীৰ সুৰক্ষাৰ ব্যৱস্থাৱলীৰ বুজ লোৱাৰ উদ্দেশ্যৰে নিমাতীঘাট পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৫ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ নিমাতীঘাটত ব্ৰহ্মপুত্ৰত হোৱা শোকাৱহ নাও দুৰ্ঘটনাত তিনিগৰাকীকৈ ব্যক্তিয়ে মৃত্যুক সাৱটি ল'বলগীয়া হোৱাৰ পিছত ভৱিষ্যতে এনে ধৰণৰ ঘটনা যাতে সংঘটিত হ'ব নোৱাৰে সেই উদ্দেশ্যৰে গ্ৰহণ কৰা সুৰক্ষামূলক ব্যৱস্থাৱলীৰ বুজ লোৱাৰ উদ্দেশ্যৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিমাতীঘাট পৰিদৰ্শন কৰে। যোৱা ৮ ছেপ্টেম্বৰত সংঘটিত নাও দুৰ্ঘটনাৰ পিছত আজি দ্বিতীয়বাৰৰ বাবে তেওঁ নিমাতিঘাটত উপস্থিত হয়।

উল্লেখ্য যে এই নাও দুৰ্ঘটনাৰ পিছতেই ৰাজ্য চৰকাৰে নাও যাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাট-মাজুলী আৰু ৰাজ্যৰ অন্য প্ৰান্তত চলাচল কৰা নাওসমূহৰ বাবে নতুন এছ অ' পিকে ধৰি এলানি নতুন সুৰক্ষামূলক ব্যৱস্থাৰ কথা তৎকালীনভাৱে ঘোষণা কৰিছিল।

এই উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই আভ্যন্তৰীণ জল পৰিবহণ বিভাগ আৰু জিলা প্ৰশাসনে যোৰহাট আৰু মাজুলীৰ মাজত চলাচল কৰা ফেৰী যাত্ৰীসকলৰ সুৰক্ষাৰ বাবে নতুনকৈ লোৱা নিৰাপত্তামূলক ব্যৱস্থাৱাজিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে যোৰহাট আৰু মাজুলী জিলাৰ মাজত চলাচল হোৱা ৰো-পেক্সৰ চলাচলৰ নীতি-নিৰ্দেশনাসমূহৰ কাৰ্যকৰণৰ দিশসমূহ পৰিদৰ্শন কৰে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে কয় যে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা দুখনকৈ ৰো-পেক্স সেৱা ইতিমধ্যে আৰম্ভ কৰিছে আৰু যাত্ৰীৰ সুবিধাৰ্থে অধিক এই ধৰণৰ সেৱা সন্নিৱিষ্টকৰণৰ বাবে প্ৰয়াস চলাই থকা হৈছে। তেওঁ লগতে কয় যে এম ভি ৰাজলক্ষ্মী আৰু এম ভি ডিগাৰু নামৰ দুখন জাহাজ অতিশীঘ্ৰে মাজুলী আহি পাব। আনহাতে, যাত্ৰীৰ সেৱা অধিক ত্বৰান্বিত কৰাৰ বাবে আভ্যন্তৰীণ জলপৰিবহন বিভাগে নিৰ্মাণ কৰা আন এখন জাহাজো প্ৰেৰণ কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে তেওঁক অৱগত কৰা মতে যাৱতীয় পৰীক্ষা-নিৰীক্ষাৰ অন্তত দুখন স্থানীয় নাও চলাচলৰ বাবে উপযুক্ত বুলি বিবেচিত হৈছে। এই দুয়োখন নাৱৰে মেৰিন ইঞ্জিন আছে আৰু আজিৰে পৰা এই নাও দুখনক চলাচল কৰাৰ বাবে অনুমতি দিয়া হ'ব। এই নাও দুখনে যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে দিয়া নিৰ্দেশনাৱলী নিশ্চিত ৰূপত মানি চলিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ ব্যক্তিগতভাৱে কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলমাৰ্গ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে আলোচনা কৰিছে আৰু নতুনকৈ দুখন ৰো-পেক্স জাহাজ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে। ইয়াৰে এখন যোৰহাট আৰু মাজুলীৰ মাজত চলাচল কৰিব বুলিও তেওঁ কয়। তেওঁ লগতে কয়

যে দুৰ্ঘটনাৰ পিছতে একক ইঞ্জিনেৰে সেৱা আগবঢ়াই থকা ৮ খন স্থানীয় নাওৰ সেৱা বন্ধ কৰি দিয়া হৈছে আৰু এই নাওকেইখনত ৰাজ্য চৰকাৰৰ ব্যয়ৰে মেৰিন ইঞ্জিন সংযুক্ত কৰিব।

তদুপৰি, মুখ্যমন্ত্ৰীয়ে কয় যে যাত্ৰীৰ সুবিধাৰ্থে ৰো-পেক্স জাহাজ আৰু মেৰিন ইঞ্জিন থকা নাওৰ সময়সূচী সাল-সলনি কৰা হৈছে আৰু সেই অনুসৰি সেই সমূহ প্ৰতিদিনে তিনিবাৰকৈ চলাচল কৰিব। ইয়াৰ উপৰি যাত্ৰীসকলে যাতে ঘৰৰ পৰাই ৰো-পেক্স আৰু ফেৰীৰ টিকট বুকিং কৰিব পাৰে সেই উদ্দেশ্যৰে এটা এপ শীঘ্ৰে মুকলি কৰা হ'ব। আনহাতে, যোৰহাট আৰু মাজুলীৰ মাজত ডিব্ৰুগড় হৈ দুখন নৈশ বাছ চলাচল কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদদ্বয় কামাখ্যা প্ৰসাদ তাছা আৰু তপন গগৈ, আভ্যন্তৰীণ জল পৰিবহণ বিভাগ আৰু জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**১৫-০৯-২০২১**